জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২১৫/২০২০

# কভিড-১৯ৰ প্ৰত্যাহ্বানৰ মাজতো দায়বদ্ধতাৰে সংবাদসেৱাত নিয়োজিত ৰাজ্যৰ সাংবাদিকসকললৈ ৫০ লাখ টকাৰ জীৱন বীমাৰ সুবিধা প্ৰদানৰ কথা ঘোষণা মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

**দিছপুৰ, ২৭ এপ্ৰিল ঃ** কভিড-১৯ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈ নিজৰ জীৱনকো তুচ্চ কৰি মানৱ সেৱাৰ কামত দৃঢ়তাৰে আত্মনিয়োগ কৰা ৰাজ্যৰ সাংবাদিকসকললৈ ৫০ লাখ টকাৰ জীৱন বীমাৰ সুবিধা প্ৰদানৰ কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

এই সম্পৰ্কে কৰা এক ঘোষণাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে ৰাজ্যখনৰ চুকে-কোণে জনসচেতনতা সৃষ্টি কৰাৰ দিশত সংবাদসেৱীসকলে নিজৰ জীৱনকো তুচ্চ জ্ঞান কৰি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সমাজৰ প্ৰতি দায়বদ্ধ ব্যক্তি একোগৰাকী হিচাপে সংবাদসেৱীসকলে লোৱা ভূমিকা অতি প্ৰশংসনীয় আৰু ৰাজ্য চৰকাৰে সেয়েহে তেওঁলোকৰ বাবেও ৫০ লাখ টকাৰ জীৱন বীমাৰ সুবিধাৰে সামৰি লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগ, আৰক্ষী, খাদ্য আৰু অসামৰিক যোগান বিভাগ, জনস্বাস্থ্য কাৰিকৰী, শক্তি ইত্যাদি সকলো বিভাগে মিলিত প্ৰচেষ্টাৰে এই লক্ ডাউনৰ সময়ছোৱাত নিষ্ঠাৰে সেৱা আগবঢ়াই আহিছে। একেদৰেই ৰাজ্যখনৰ সংবাদসেৱীসকলেও গাঁৱে-ভূঞে, চহৰে-নগৰে প্ৰতিটো এলেকাতে দায়বদ্ধতাৰে জনসাধাৰণলৈ সেৱা আগবঢ়াই আহিছে। মুখ্যমন্ত্ৰীয়ে এই সংবাদসেৱীসকলৰ সুস্বাস্থ্য কামনা কৰাৰ লগতে আগন্তুক সময়তো দায়বদ্ধতাৰে সমাজলৈ সেৱা আগবঢ়াই যাবলৈ আহ্বান জনায়।

**বঃভাঃ / পুঃডেঃ / প্ৰঃকুঃব**

২৭/৪/২০২০

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in